**1.** Answer the following questions : 1×12=12

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Who was the first Director-General of the Archaeological Survey of India?

ভাৰতৰ পুৰাতত্ত্ব জৰীপ বিভাগৰ প্ৰথমজন সঞ্চালকপ্ৰধান কোন আছিল?

(b) What kinds of grinding instruments were used to grind the grain in Harappan Civilization?

হৰপ্পা সভ্যতাত শস্য গুৰি কৰিবলৈ ব্যৱহাৰ কৰা সঁজুলিবিধৰ নাম কি আছিল?

(c) What is hagiography?

হগিওগ্ৰাফী কি?

(d) Who was Shankardeva?

শঙ্কৰদেৱ কোন?

(e) What was the name of Alberuni's book written in Arabic language?

আৰবী ভাষাত লিখা আলবেৰুণীৰ কিতাপখনৰ নাম কি?

(f) Who led a new religious movement in Karnataka?

কৰ্ণাটকত নতুন ধৰ্ম আন্দোলনৰ নেতৃত্ব কোনে দিছিল?

(g) Who was the most famous ruler of Vijayanagar?

বিজয়নগৰৰ সৰ্ববিখ্যাত শাসকজন কোন আছিল?

(h) Which was the language of the Royal Court of the Mughals?

মোগলসকলৰ ৰাজসভাত কি ভাষা ব্যৱহৃত হৈছিল?





(i) Where did the Revolt of 1857 first breakout?

1857 চনৰ বিদ্ৰোহ প্ৰথম ক'ত আৰম্ভ হৈছিল?

(j) Who were the Jotedars?

যোতদাৰসকল কোন?

(k) What was the name of present Bangladesh during the time of Partition of India?

ভাৰত বিভাজনৰ সময়ত আজিৰ বাংলাদেশৰ নাম কি আছিল?

(l) Who was the first President of Independent India?

স্বাধীন ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি কোন আছিল?

**2.** Answer in brief the following questions : 2×12=24

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখা :

(a) Write any two features of Harappan script.

হৰপ্পীয় লিপিসমূহৰ যি কোনো দুটা বৈশিষ্ট্য লিখা।

(b) What is Gotra? What are the two important rules about Gotra?

গোত্ৰ কি? গোত্ৰ ব্যৱস্থাৰ উল্লেখযোগ্য বিধান দুটা কি কি?

(c) Who was Azan Pir? Where is his Dargah situated?

আজান পীৰ কোন আছিল? তেওঁৰ দৰগাহ ক'ত আছে?

(d) When was the Assam Student Union established and who presided over its first session?

অসম ছাত্ৰ সন্মিলন কেতিয়া গঠন হৈছিল আৰু ইয়াৰ প্ৰথমখন অধিবেশনত কোনে সভাপতিত্ব কৰিছিল?

(e) Who were the Alvars and Nayanars?

আলৱাৰ আৰু নায়নাৰসকল কোন আছিল?

(f) Why was Khwaja Moinuddin's Dargah very popular? Give two reasons.

খাজা মইনুদ্দিনৰ দৰগাহ জনপ্ৰিয় হোৱাৰ দুটা কাৰণ লিখা।

(g) Name the two English translators of *Ain-i Akbari*. When did they complete this translation work?

'আইন-ই-আকবৰী' পুথিখন অনুবাদ কৰা ইংৰাজ অনুবাদক দুজনৰ নাম লিখা। তেওঁলোকে অনুবাদৰ কাম কেতিয়া সম্পূৰ্ণ কৰিছিল?

(h) Who was Gulbadan Begum? Which book did she write?

গুলবদন বেগম কোন আছিল? তেওঁ লিখা কিতাপখন কি আছিল?

(i) How were the village Jotedars often found more effective than the Zamindars? Give two reasons.

জমিদাৰসকলতকৈ প্ৰায়ে গাঁৱলীয়া যোতদাৰসকল বেছি প্ৰভাৱশালী। দুটা কাৰণ উল্লেখ কৰা।

(j) Did the religious beliefs influence the rebels of 1857? Give two examples.

1857 চনৰ বিদ্ৰোহত ধৰ্মীয় বিশ্বাসে বিদ্ৰোহীসকলক প্ৰভাৱান্বিত কৰিছিলনে? দুটা উদাহৰণ লিখা।

(k) Who was Buchanan? How valuable is Buchanan's account in Indian history?

বুকানন কোন আছিল? ভাৰত বুৰঞ্জীত তেওঁৰ ভ্ৰমণ টোকা কিমান মূল্যবান?

(l) Write two reasons that made the Dandi Yatra a notable event.

দাণ্ডি যাত্ৰা তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হোৱাৰ দুটা কাৰণ লিখা।





3. Answer the following questions : 4×10=40

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) How did the Harappan people procure raw materials for craft production?

হৰপ্পাৰ লোকসকলে হস্তনিৰ্মিত সামগ্ৰী প্ৰস্তুত কৰিবলৈ কেঁচা মাল কিদৰে সংগ্ৰহ কৰিছিল?

(b) Explain how and why Stupas were built.

স্তূপসমূহ কিয় আৰু কেনেদৰে নিৰ্মাণ কৰা হৈছিল, বৰ্ণনা কৰা।

(c) Write a brief note on the Quit India Movement in Assam.

অসমত হোৱা ভাৰত ত্যাগ আন্দোলনৰ বিষয়ে চমু টোকা লিখা।

(d) What was Bernier's view on the Sati system in India?

সতী প্ৰথাৰ বিষয়ে বাৰ্ণিয়াৰে কি অভিমত দাঙি ধৰিছিল?

(e) What is Khanqah? Describe in brief about life in the Chisti Khanqah.

খানকাহ কি? চিস্তি খানকাহত কেনেদৰে জীৱন কটোৱা হয়, চমুকৈ বৰ্ণনা কৰা।

(f) Examine the significance of the rituals associated with the Mahanavami Dibba.

মহানৱমী দিব্বাৰ সৈতে জড়িত ধৰ্মীয় অনুষ্ঠানসমূহৰ তাৎপৰ্য মূল্যাঙ্কন কৰা।

(g) Who was Akbar? Mention any three of his achievements.

আকবৰ কোন আছিল? তেওঁৰ যি কোনো তিনিটা কাৰ্যাৱলীৰ বিষয়ে লিখা।

